# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-April-2026
**Time :** 1715 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১।	ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰৱল  ধুমুহা, বৰষুণত বিস্তৰ ক্ষতি।

২।	 ৪ মে’ত হ’বলগীয়া ভোটগণনা সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে গুৱাহাটীত জিলা নিৰ্বাচনী বিষয়া, ৰিটাৰ্ণিং বিষয়াৰ প্ৰশিক্ষণ কাৰ্যসূচী।

৩।	পশ্চিমবংগ চৰকাৰে আন্তঃৰাষ্ট্ৰীয় সীমান্ত বেৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰক  প্ৰয়োজনীয় ভূমি আৱণ্টন দিয়া নাই বুলি  মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

**আৰু**

৪।	কামৰূপ, কাছাৰত আৰক্ষীৰ অভিযানত বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য জব্দ।

ooooo

ৰাজ্যৰ বিভিন্ন স্থানত ধুমুহা-বৰষুণে আজি বিস্তৰ ক্ষতিসাধন কৰে। ডিব্ৰুগড়, গহপুৰ, ধেমাজি, চৰাইদেউ, যোৰহাট, টীয়ক, হাটশিঙিমাৰী, ছয়গাঁও, কলিয়াবৰ, বৰপেটা, গোৱালপাৰা, কামৰূপ আৰু নলবাৰী আদিত ধুমুহা-বৰষুণৰ ফলত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হয়।

ইপিনে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী দুই-তিনিদিনত গুৱাহাটীৰ ঠাই বিশেষে বিজুলী ঢেৰেকণিৰে ধাৰাষাৰ বৰষুণ হ’ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগে প্ৰকাশ কৰা মতে এই সময়ছোৱাত ধুমুহা বতাহৰ লগতে ৭ৰ পৰা ২০ ছেণ্টিমিটাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ফলত চহৰখনত বান সমস্যাৰ সৃষ্টি হোৱাৰ লগতে যান-বাহনৰ চলাচল লেহেমীয়া আৰু পাহাৰীয়া এলেকাসমূহত ভূমিস্খলনৰ আশংকাই দেখা দিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু পৌৰ কৰ্তৃপক্ষই পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু জৰুৰীকালীন ব্যৱস্থা সক্ৰিয় কৰি তুলিছে। প্ৰাধিকৰণে সম্ভাব্য পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণক প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন কৰিবলৈ আৰু সজাগ হৈ থাকিবলৈ আহ্বান জনাইছে। দৈনিক আহ-যাহ কৰা আৰু দূৰণীবটীয়া যাত্ৰীসকলক পৰিস্থিতি অনুযায়ী যাত্ৰাৰ পৰিকল্পনা কৰিবলৈ আৰু ধাৰাসাৰ বৰষুণৰ সময়ছোৱাত আৱশ্যক নহ’লে ঘৰৰ পৰা ওলাই নাযাবলৈ আহ্বান জনাইছে। দ এলেকা আৰু পাহাৰৰ কাষৰীয়া অঞ্চলৰ জনসাধাৰণকো বান আৰু ভূমিস্খলনৰ প্ৰতি সতৰ্ক হৈ থাকিবলৈ কোৱা হৈছে।

ooooo

৪ মে’ত হ’বলগীয়া ভোটগণনা সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে আজি গুৱাহাটীত জিলা নিৰ্বাচনী বিষয়া, ৰিটাৰ্ণিং বিষয়া আৰু নিৰ্বাচনী বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। মুখ্য নিৰ্বাচনী বিষয়াৰ

পৃষ্ঠপোষকতাত আয়োজিত এই কাৰ্যসূচীত ভোট গণনা প্ৰক্ৰিয়াৰ সকলো দিশৰ সূক্ষ্ম পৰিকল্পনা আৰু ৰূপায়ণৰ বিভিন্ন দিশ সামৰি লোৱা হয়। প্ৰশিক্ষণ কাৰ্যসূচীত ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেল আৰু যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াসকল সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। প্ৰশিক্ষণকালত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে নিৰ্বাচন আয়োগৰ নিৰ্দেশনা পালন কৰি ভোটগণনা নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সংশ্লিষ্ট সকলোকে নিৰ্দেশ দিয়ে। তেওঁ লগতে ভোট গণনা কক্ষত ল'বলগীয়া ব্যৱস্থা সম্পৰ্কেও আলোকপাত কৰে। গণনাৰ সময়ত ই ভি এম আৰু ভি ভি পেট ব্যৱস্থাপনাৰ ক্ষেত্ৰত বিশেষ সতৰ্কতা অৱলম্বন কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। আজিৰ প্ৰশিক্ষণত ডাক বেলট আৰু ই ভি এমৰ ভোট গণনা, ষ্ট্ৰংৰুম খোলা আৰু গণনাকক্ষলৈ অনা গণনাকাৰী বিষয়া-কৰ্মচাৰী নিয়োগ আৰু প্ৰশিক্ষণ, কাউণ্টিং এজেণ্টক পৰিচয়পত্ৰ প্ৰদান, অগ্নি নিৰ্বাপন ব্যৱস্থাপনা, মিডিয়া ব্যৱস্থাপনা আৰু ভোট গণনাৰ অন্তত নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পাদন কৰিবলগীয়া কামকে ধৰি সকলো বিষয় সামৰি লোৱা হয়।

পৰৱৰ্তী পৰ্যায়ত পৰহিলৈৰ পৰা জিলাই জিলাই ভোটগণনাকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। ভোটগণনাৰ সময়ত প্ৰতিখন গণনা মেজত ন্যূনতম তিনিজনকৈ বিষয়া থাকিব। জিলা সদৰসমূহত স্থাপন কৰা ষ্ট্ৰং ৰুমৰ কাষতে সাজু কৰা প্ৰতিটো গণনা কক্ষৰ বাবে নিয়োজিত মাইক্ৰ' অবজাৰ্ভাৰ সকলো গণনা কাৰ্যত উপস্থিত থাকিব। তদুপৰি ডাক বেলট গণনাৰ বাবে সুকীয়া কক্ষ থাকিব।

ooooo

অসম আৰু ত্ৰিপুৰা চৰকাৰে আন্তঃৰাষ্ট্ৰীয় সীমান্ত বেৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰক প্ৰয়োজনীয় ভূমি আৱণ্টন দিছে। কিন্তু পশ্চিমবংগই এতিয়াও সীমান্ত বেৰ নিৰ্মাণৰ বাবে ভূমি আগবঢ়োৱা নাই বুলি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কলকতাত অভিযোগ কৰিছে। ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰত অংশগ্ৰহণ কৰি থকা অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে আজি কলকতাত এখন সংবাদমেলত এই অভিযোগ কৰিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে পশ্চিমবংগ, অসম, ত্ৰিপুৰা, মেঘালয় আৰু মিজোৰামৰ সীমান্তসমূহৰ এটাও যদিও খোলা থাকে তেন্তে ইয়াৰ প্ৰভাৱ দেশৰ আন ৰাজ্যসমূহতো পৰিব। অসম আৰু পশ্চিমবংগত শেহতীয়াকৈ হোৱা জনগাঁথনিৰ ব্যাপক পৰিবৰ্তন সন্দৰ্ভতো সংবাদমেলত ড০ শৰ্মাই উল্লেখ কৰে। তেওঁ সাংবাদিকৰ আগত এইদৰে কয়–

**(বাইট-চি এম)**

ooooo

আৰক্ষীয়ে আজি ৰাজ্যৰ বিভিন্ন স্থানত অভিযান চলাই বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য জব্দ কৰে। কামৰূপ জিলা আৰক্ষীৰ এটা দলে পুৱাৰ ভাগত আমিনগাঁৱত অভিযান চলাই প্ৰায় সাত কোটি টকা মূল্যৰ হেৰ'ইন জব্দ কৰে। আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি নামনি অসমৰ বিভিন্ন স্থানলৈ সৰবৰাহ কৰা ষড়যন্ত্ৰত লিপ্ত হোৱা এটা গোটক আগভেটি ধৰে আৰু ৬২ টা চাবোনৰ বাকচত অনা ৮৩৭ গ্ৰাম নিচাযুক্ত সামগ্ৰী জব্দ কৰে। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত মণিপুৰৰ ডেমথাংহাউকিপ নামৰ এগৰাকী মহিলাৰ লগতে অন্য চাৰিজনক গ্ৰেপ্তাৰ কৰে।

কাছাৰ আৰক্ষীয়েও আজি দুটা পৃথক পৃথক অভিযানত দুই কোটি ৫০ লাখৰো অধিক টকা মূল্যৰ হেৰ'ইন জব্দ কৰে আৰু পাঁচজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে লখিপুৰ থানাৰ অন্তৰ্গত বাঁশকান্দি এলেকাত অভিযান চলাই ১০ টা চাবোনৰ বাকচৰ ৩৭৭ দশমিক ৪ গ্ৰাম হেৰ'ইন আৰু এটা দেশীয়

পিষ্টল আৰু চাৰি জাই গুলী জব্দ কৰে। একেদৰে মানকাচৰ আৰক্ষীয়ে আজি কুচনিমাৰা অঞ্চলত অভিযান চলাই এহেজাৰ ৪০০ টা নিচাজাতীয় কেপচুল আৰু এখন বাহন জব্দ কৰে। আৰক্ষীয়ে ঘটনা সংক্ৰান্ত নয়ন মিঞা নামৰ এজন সৰবৰাহকাৰীক আটক কৰে।

০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই পৰম্পৰা আৰু আধুনিকতাৰ মাজত সন্তুলন বৰ্তাই ৰখাৰ পোষকতা কৰিছে। গুৱাহাটীত আয়োজিত ভাৰত বিকাশ পৰিষদৰ অসম প্ৰান্তৰ বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰি ৰাজ্যপালৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। উন্নত আৰু সাংস্কৃতিকভাৱ সমৃদ্ধিশালী ভাৰত গঢ়াৰ পৰিকল্পনাৰ বিষয়ে গুৰুত্ব আৰোপ কৰি তেওঁ দেশৰ গৌৰৱোজ্জ্বল অতীতৰ পৰা অনুপ্ৰেৰণা ল'বলৈ আহ্বান জনায়। তেওঁ লগতে বিজ্ঞান, প্ৰযুক্তি আৰু ডিজিটেল উদ্ভাৱনৰ বৰ্ধিত গুৰুত্বৰ বিষয়ে আলোকপাত কৰে আৰু শিক্ষা, স্বাস্থ্য সেৱা, কৃষি, প্ৰশাসন আৰু বাণিজ্যৰ লেখিয়া ক্ষেত্ৰসমূহত ইয়াৰ ৰূপান্তৰকাৰী প্ৰভাৱৰ বিষয়ে উল্লেখ কৰে। উমৈহতীয়া দায়িত্ব হিচাপে সমাজসেৱাৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে স্বেচ্ছাসেৱী সংগঠনসমূহে এখন সৰ্বাত্মক আৰু প্ৰগতিশীল সমাজ গঢ়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ লগতে দেশৰ প্ৰগতিৰ চালিকা শক্তি হিচাপে যুৱ প্ৰজন্মক নৈতিক প্ৰমূল্যবোধ আৰু দেশপ্ৰেমৰ মনোভাৱেৰে দক্ষতাৰ বিকাশ, উদ্ভাৱন, উদ্যমশীলতা আৰু ডিজিটেল সৱলীকৰণৰ দিশত অগ্ৰসৰ হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত ৰাজ্যপালগৰাকীয়ে এখন স্মৰণিকাও উন্মোচন কৰে।

০০০০০

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

বোকাখাতৰ মেথনিত আজি এটা শোকাবহ পথ দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাটোত ৩জন মটৰ চাইকেল আৰোহী নিহত হয়। নিহত লোককেইজনক বোকাখাতৰ পানবাৰী আদৰ্শ গাঁৱৰ দিগন্ত দাস, লক্ষণ দাস আৰু লুকু দাস বুলি চিনাক্ত কৰা হৈছে। মটৰ চাইকেল আৰোহী কেইজন আহি থকা মটৰ চাইকেলখনে নিয়ন্ত্ৰণ হেৰুৱাই এখন ট্ৰাকৰ পাছ ফালে খুন্দা মৰাৰ ফলত এই শোকাবহ দুৰ্ঘটনাটো সংঘটিত হয়।

০০০০০

গোৱালপাৰা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু কোচ ৰাজবংশী মহিলা সমিতিৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে দুধনৈ ৰাজহুৱা খেলপথাৰত বিযুৱা উৎসৱৰ আয়োজন কৰা হৈছে। পুৱাৰ ভাগত পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণেৰে কাৰ্যসূচী আৰম্ভ হয়। এই উৎসৱৰ সৈতে সংগতি ৰাখি বিভিন্ন জাতি-

জনগোষ্ঠীৰ নৃত্য প্ৰদৰ্শন, লেওৰা টনা প্ৰতিযোগিতা, মিছ বিযুৰা প্ৰতিযোগিতাৰ লগতে বাৰেৰহনীয়া সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০

শিলচৰ ডবা একাডেমী আৰু কাছাৰ জিলা ডবা সন্থাৰ যুটীয়া উদ্যোগত আজিৰে পৰা ছবি চক্ৰৱৰ্তী সোঁৱৰণী সদৌ অসম আন্তঃ বিদ্যালয় ডবা প্ৰতিযোগিতা আৰু প্ৰমীলা গোস্বামী সোঁৱৰণী মুকলি ডবা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। এই দুদিনীয়া প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ২৩৭ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **শিক্ষাৰ্থীৰ জীৱনত সহ-পাঠ্যক্ৰমৰ গুৰুত্ব** শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ ল'ব জ্যেষ্ঠ শিক্ষক, অভিনেতা, নাট্যকাৰ তথা পৰিচালক অসীম কৃষ্ণ বৰুৱাই। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকা আৰু পৰীস্মিতা দিহিঙ্গীয়াই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

০০০০০

সমাপ্ত